# লংকাত আই চি আৰ এফৰ উদ্যোগত দুৰ্নীতিবিৰোধী সভা

প্ৰতিদিন সেৱা, লংকা, ৫ জুলাই ঃ লংকাত ৩ জুলাইত ভাৰতবৰ্ষৰ অন্যতম বেচৰকাৰী সংস্থা আই চি আৰ এফৰ সৌজন্যত দুৰ্নীতিবিৰোধী এখন সভা লংকা ছিষ্টাৰ নিবেদিতা ছোৱালী হাইস্কুল প্ৰাংগণত অনুষ্ঠিত হয়। সভাত সভাপতিত্ব কৰে লংকা নেতাজী বিদ্যা নিকেতনৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা শিক্ষাবিদ মতিলাল দে'য়ে। সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে ২নং কাকী আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক নবীন বৰা। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে আই চি আৰ এফৰ নদীয়া জিলাৰ সভাপতি সমীৰ পাল।